মই নবী চাল্লাল্লাল্লাহু আলাইহি অছাল্লামক কেতিয়াও আলজিভা দেখিব পৰাকৈ উচ্চ স্বৰত হাঁহি থকা দেখা নাই। বৰং তেখেতে সদায় মিচিকিয়া হাঁহিছিল।

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই নবী চাল্লাল্লাল্লাহু আলাইহি অছাল্লামক কেতিয়াও আলজিভা দেখিব পৰাকৈ উচ্চ স্বৰত হাঁহি
থকা দেখা নাই। বৰং তেখেতে সদায় মিচিকিয়া হাঁহিছিল। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই হাদীছটোত জনাইছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেতিয়াও ইমান উচ্চ স্বৰত হঁহা নাছিল যে, তেখেতৰ আলজিভা দেখা গৈছিল। অৰ্থাৎ মুখৰ ভিতৰত জিভাৰ ঠিক পিছফালে ডিঙিৰ ওপৰ ভাগৰ পৰা ওলমি থকা মঙহৰ এক সৰু অংগক আলজিভা বুলি কোৱা হয়। বৰং তেখেতে সদায় মিচিকিয়া হাঁহিছিল।

http://sunnah.global/hadeeth/as/show/3060